# স্মৃতিৰ কুঠৰীত কামাখ্যা বিদ্যালয়

❑ ৰেণুকা শইকীয়া বৰ্মন
অবসৰ প্ৰাপ্ত শিক্ষয়িত্ৰী,
কামাখ্যা বিদ্যালয়

পৰিবৰ্ত্তনশীল পৃথিৱীখনত মানুহৰ জীৱনটোও পৰিবৰ্ত্তনশীল। মানুহৰ জীৱনলৈ ঘাট প্ৰতিঘাট আহে। এই ঘাট প্ৰতিঘাটৰ মাজতেই মানুহৰ কেতিয়াবা নভবা নিচিনাকৈ সৌভাগ্য ও আহি পৰে।

জীৱনৰ প্ৰথম কৰ্মজীৱন আৰম্ভ কৰিছিলো ৰঙিয়া ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত। গ্ৰেজুৱেচন লোৱাৰ পিচতে ৰঙিয়া ছোৱালী উচ্চতৰ মাধ্যমিকৰ (তেতিয়া উচ্চ মাধ্যমিক) প্ৰধান শিক্ষক মহোদয়ে এদিন আহি মোক লৈ গ'ল বিদ্যালয় খনত শিক্ষকতা কৰিবলৈ। এতিয়াৰ নিচিনা দৰ্খাস্তও নাই, ইনটাৰভিউ ও নাই। কাহানিও ভবাই নাছিলো যে এদিন শিক্ষক হ'ম। শিক্ষকতাৰ মাদকতা শিক্ষকেহে বুজে। প্ৰথম অৱস্থাত মনটো সেমেকি - উঠিছিল, পঢ়ি পঢ়ি আহিলো আকৌ পঢ়াশুনাৰ কাম। কিন্তু স্কুললৈ গৈ ছাত্ৰী সকলৰ মাজত যেতিয়া সোমাই পৰিলো, সেই মাদকতা খিনি বুজাব নোৱাৰি। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত এটা নিবীড় সম্বন্ধ থাকে। ইয়াত পোৱা যায় অপৰিসীম আনন্দ এনেকৈয়ে প্ৰায় ২২ বছৰ সেইখন বিদ্যালয়ত কাম কৰি এই কামাখ্যা বিদ্যালয়লৈ ঢাপলি মেলিলো। জীৱনৰ বিয়লীবেলাত মোৰ সৌভাগ্য উপজিল। ১৯৯১ চনত অসমৰ অনা অসমীয়া বিদ্যালয় সমূহত অসমীয়া বিষয়টো পঢ়াবৰ কাৰণে কিছুমান শিক্ষকৰ আৱশ্যক হৈছিল। ভগৱানৰ কৃপাত ময়ো সেই সুবিধা পাইছিলো। মই যেতিয়া গম পালো যে মোক কামাখ্যা বিদ্যালয়লৈ বদলি কৰিছে, মনত অলপ খু দুৱনি লাগিছিল। বঙালী মাধ্যমৰ বিদ্যালয়, একেবাৰে বঙালী ভাষাটো নাজানো, কেনেকৈ পঢ়াম বুলি ভাবি মনে মনে ভয়ো লাগিছিল। তথাপি চাকৰিৰ তাড়নাত আহিবই লাগিব।

১৯৯২ চনৰ ২৯ জুলাই এই কামাখ্য বিদ্যালয়লৈ আহিলো। কোনো দিনে নেদেখা আনকি নামো নুশুনা বিদ্যালয়লৈ আহি ক'ত কি কৰো মনে মনে সাংঘাটিক ভয় এটা হৈছিল। কিন্তু এই সকলো দুৰ্ভবনা, ভয় ভিত নোহোৱা হৈ গ'ল বিদ্যালয় খনত সোমোৱাৰ লগে লগে। তেতিয়া কামাখ্যা বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ আসন অলংকৃত কৰিছিল শ্ৰদ্ধেয় অনীল চোম চাৰে। চোম চাৰৰ কথা আগতে শুনিছিলো এজন অতি নিষ্ঠাৱান, আদৰ্শৱান শিক্ষক বুলি। তেখেতৰ ব্যক্তিত্বই সকলেকে মোহিত কৰিছিল। তেখেতৰ আদৰ্শই সকলো শিক্ষক শিক্ষয়িত্ৰীকে অনুপ্ৰেৰণা যোগাইছিল। তেখেত এজন ভাল প্ৰশংসকো আছিল।

কামাখ্যা বিদ্যালয় খনৰ পৰিবেশ অতি মনোমোহা ৰেলৱে কোৱাৰ্টাৰৰ মাজত অৱস্থিত এই বিদ্যালয় খনৰ এটা সুকীয়া সৌন্দৰ্য্য আছে। বিদ্যালয়খনৰ প্ৰাৰ্থনাৰ সময়ত সকলো ছাত্ৰ-ছাত্ৰী,

শিক্ষক-শিক্ষয়িত্ৰী থিয় হৈ প্ৰাৰ্থনা গোৱা হয়। সময়মতে শ্ৰেণীলৈ গৈ পাঠদান কৰা শিক্ষক সকলৰ কৰ্ত্তব্য। সকলো শিক্ষকে নিয়মানুবৰ্ত্তিতা বজাই ৰাখে। প্ৰথম দিনা বিদ্যালয়লৈ আহিয়ে যেতিয়া প্ৰধান শিক্ষকৰ কোঠালৈ সুমাই গৈছিলো, তেখেতে নিজেই মোক শিক্ষক সকল বহা কোঠালৈ লৈ গৈছিল আৰু সকলোৰে লগত মোক চিনাকী কৰি দিছিল। সকলো শিক্ষক শিক্ষয়িত্ৰীয়ে মোক সুন্দৰ ভাবে আকোৱালী লৈছিল। তেখেতে সকলৰ মোলৈ থকা শ্ৰদ্ধা ভক্তিআৰু মৰম কাহানি ও পাহৰিব নোৱাৰো। সেয়েহে মনত জাগি উঠা ভয় ভাব দূৰ হৈ এটা পৰিয়ালৰ সদস্যৰ নিচিনা কৈ ময়ো মিলি গলো।

কামাখ্যা বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী সকল পৰস্পৰে পৰস্পৰৰ বাবে সহানুভূতিশীল। সকলোৱে প্ৰত্যেকজন শিক্ষকৰ দুখ বেজাৰ, আনন্দ বিপদত সহায় আগবঢ়ায়। এজনৰ সুখ দুখৰ ভাগী প্ৰত্যেক জন শিক্ষকে হয়। কোনোবা এজনৰ কিবা বিপদ হলে প্ৰত্যেকেই যিয়ে যেনেকৈ পাৰে সহায় আগবঢ়ায়।

শিক্ষক সকল বহা কোঠাত যেতিয়া চাৰি পাচজন মান শিক্ষক লগ লগা হয় কিমান যে কথাৰ মহলা মৰা যায়, কেতিয়াবা ভগবান বিষ্ণুৰ পৰা আৰম্ভ হৈ নিজৰ পাকঘৰত শেষ হয়। সেই আলোচনা বোৰে সকলোকে অনুপ্ৰাণিত কৰে। আমি যেন এখন ঘৰৰ একোটি পৰিয়াল। পৰিয়ালৰ সকলোৱে সুখ, দুখৰ আলোচনাত সকলোৱে অংশ লয়। ঘৰুৱা অশান্তি বোৰ পাহৰি যোৱা যায় বিদ্যালয় খনত সোমোৱাৰ লগে লগে। শিক্ষক বহা কোঠাৰ সেই সুন্দৰ আলোচনা বোৰে এতিয়াও মনলৈ আহি থাকে। মোৰ কনিষ্ঠ সকলৰ শ্ৰদ্ধাৰ মাজেৰে কৰা ধেমেলীয়া উক্তিবোৰে এতিয়াও আমনি কৰে।

কামাখ্যা বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলো বৰ নিয়মানুবৰ্ত্তিত। সময় মতে বিদ্যালয়ত উপস্থিত হোৱা, প্ৰাৰ্থনা কৰি শৃংখলা বদ্ধ ভাবে শ্ৰেণী কোঠালৈ যোৱা ইত্যাদি ইত্যাদি। কেতিয়াবা কোনোবা এজন ছাত্ৰই কিবা বেয়া কাম কৰিলে শিক্ষক সকলেই বুজাই বঢ়াই ভাল কৰে। বিদ্যালয়খনৰ H. S. L. C. ৰ উত্তীৰ্ণ ৰ হাৰো সন্তোষজনক। কেইবাজনো ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত সুফল অৰ্জন কৰি বিদ্যালয়ৰ সুনাম কাঢ়িয়াই আনিছে। বহুকেই জন ছাত্ৰ-ছাত্ৰীয়ে অসমৰ চুকে কোণে ভাল ভাল চাকৰি কৰি গৌৰৱ অৰ্জন কৰিছে। আনকি অসমৰ বাহিৰতও আমাৰ বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীয়ে ভাল কাম কৰি জীৱিকা নিৰ্ব্বাহ কৰিছে। ছাত্ৰ ছাত্ৰী সকলৰ প্ৰতিযোগিতামূলক মনোভাব প্ৰবণ। বিদ্যালয়ত যেতিয়া ৰবীন্দ্ৰ জয়ন্তী, শিল্পী দিবস, শিক্ষক দিবস আদি পালন কৰা হয় তেতিয়া ছাত্ৰ ছাত্ৰী সকলে প্ৰতিযোগিতা বিলাকত আগ ভাগ লয়। গান, নাচ, তৰ্ক প্ৰতিযোগিতা, কুইজ আদিত আগভাগ লবলৈ ছাত্ৰ ছাত্ৰী সকল আগৰনুৱা। ইয়াতো শিক্ষক শিক্ষয়িত্ৰী সকলে ছাত্ৰ ছাত্ৰী সকলৰ মাজত প্ৰতিযোগিতাৰ ভাব জগাই তোলে। কামাখ্যা বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকল ছবি অঁকাত আগৰনুৱা, বহু কেইখন চিত্ৰাংকন প্ৰতিযোগিতাত পুৰস্কাৰ পাইছে। ছাত্ৰ ছাত্ৰী সকলৰ মনোবলত সহায় কৰে এই প্ৰতিযোগিতা বোৰে।

এনেকৈয়ে ২০০৯ ৰ জুন মাহৰ ৩০ তাৰিখে এই বিদ্যালয়ৰ পৰা অৱসৰ ললো। আজিও এই বিদ্যালয়ৰ স্মৃতিবোৰ মোক আমনি কৰে।